
# মোৰ ABC কিতাপ (পৰ্য্যায় ১)

| | |
|---|---|
| **বিৱৰণ** | শিক্ষাৰ্থীয়ে নিজৰ বাবে ইংৰাজী বৰ্ণমালাৰ কিতাপ প্ৰস্তুত কৰি উলিয়াব, বিভিন্ন প্ৰকাৰ, ছবিসহ উদাহৰণ, ছবিসহ তালিকাৰ মাজেৰে শিকিব। |
| **শীৰ্ষস্থানীয় প্ৰশ্ন** | তুমি তোমাৰ নিজৰ ইংৰাজী বৰ্ণমালাৰ কিতাপ প্ৰস্তুত কৰিব পাৰিবানে? |
| **মুঠ সময়** | ২ সপ্তাহত ১০ ঘন্টা |
| **সঁজুলিৰ প্ৰয়োজন** | বহী, পেঞ্চিল, ৰবৰ, ৰং। |
| **শিকনৰ ফলাফল** | ১)ছপা কিতাপৰ সৈতে চৰ্চা, সাধু, শব্দ, বৰ্ণ আৰু উচ্চাৰণৰ বিষয়ে তথ্য সহ সঠিকভাৱে বুজি পোৱাত সক্ষম হ'ব।<br>২) ছপা ছবি, বৰ্ণ, শব্দৰ চিনাক্ত আৰু পাৰ্থক্য ওলোৱা।<br>৩)বৰ্ণ আৰু ইয়াৰ উচ্চাৰণ সঠিকভাৱে কৰিব পৰা।<br>৪) পঢ়ন কৌশলৰ সঠিক বিকাশ।<br>৫)জৰুৰী লিখন আচৰণ প্ৰদৰ্শন।<br>৬)লিখিত তথ্য যথাযথভাৱে বুজি পোৱা।<br>৭) লিখনত গঠন, বানান আৰু যতিচিহ্নৰ সঠিক প্ৰয়োগ।<br>৮)লিখন কৌশলৰ সঠিক বিকাশ। |

## দিন ১

আজি তোমালোকে শিকিবা তোমাৰ ভাইটি/ভন্তীয়ে ইংৰাজী বৰ্ণমালা শিকিব পৰাকৈ কেনেকৈ ইংৰাজী বৰ্ণমালাৰ কিতাপ প্ৰস্তুত কৰিব পাৰি।

| ল | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **৫ মিনিট** | • শিক্ষাৰ্থীয়ে ইংৰাজী বৰ্ণমালাৰ কিতাপ চাব পাৰে যদিহে সহায়ৰ প্ৰয়োজন হয়। -প্ৰত্যেক বৰ্ণৰে ডাঙৰ ফলা আৰু সৰু ফলা বৰ্ণ লিখি দুবিধ ছবিসহ উল্লেখ কৰিব। যেনে- Aa: Apple and Ant অথবা Bb: Banana and Bird ইত্যাদি।   |
| **১০ মিনিট** | শিক্ষাৰ্থীয়ে প্ৰত্যেক বৰ্ণৰে দুই ধৰণৰ উদাহৰণ উল্লেখ কৰিব। যেনে- জন্তুৰ নাম আৰু খোৱা বস্তুৰ নাম। |
| **৪০ মিনিট** | শিক্ষাৰ্থীয়ে প্ৰথমদিনা চাৰিটা বৰ্ণৰে প্ৰকল্পৰ কাম আৰম্ভ কৰিব। সেয়া হৈছে- A, B, C, D |

| | |
|---|---|
| **১০-২০ মিনিট** | ▪ সংখ্যাৰ প্ৰসাৰঃ (সংখ্যা আৰু বীজগণিত) শিক্ষাৰ্থীয়ে পৃষ্ঠা নং উল্লেখ কৰিব আৰু ক্ৰম অনুযায়ী লিখিব। যুগ্ম আৰু অযুগ্ম সংখ্যাৰ বাবে পৃথক ৰং ব্যৱহাৰ কৰিব পাৰিব।<br>○ *অভিভাৱকে শিক্ষাৰ্থী সকলক শব্দ আৰু বৰ্ণ লিখিবৰ বাবে আঁচ বা ডটেড লাইনেৰে অংকন কৰি সহায় কৰিব পাৰিব যাৰ ওপৰেদি শিক্ষাৰ্থী সকলে লিখিব পাৰিব।*<br><br>○ *শিক্ষাৰ্থীয়ে উদাহৰণৰ বাবে অংকনৰ পৰিৱৰ্তে ছবি কাটি আঠা লগাব পাৰিব।*<br>○ *শিক্ষাৰ্থীয়ে পাঁচবিধ vowel বৰ্ণ চিনাক্তকৰণৰ বাবে পৃঠক ৰং ব্যৱহাৰ কৰিব পাৰিব। যেনে- A, E, I, O আৰু U* |

## দিন ২-৫

২য় ৰ পৰা ৫ম দিনলৈ তোমালোকে নতুন বৰ্ণ আৰু শব্দৰ সৈতে কাম কৰিবা।

| প্ৰস্তাৱিত সময় | ক্ৰিয়াকলাপ আৰু বিৱৰণ |
|---|---|
| **৫০ মিনিট** | • শিক্ষাৰ্থীয়ে এদিনত ৫টা বৰ্ণৰ সৈতে কাম কৰিব।<br>○ ২য় দিনা E, F, G, H, I বৰ্ণৰ সৈতে কাম কৰিব (E আৰু I vowel ৰ বাবে পৃথক ৰং ব্যৱহাৰ কৰিব পাৰে।<br><br>○ ৩য় দিনা J, K, L, M, N বৰ্ণৰ সৈতে কাম কৰিব।<br>○ ৪ৰ্থ দিনা O, P, Q, R, S বৰ্ণৰ সৈতে কাম কৰিব। (O vowel ৰ বাবে পৃথক ৰং ব্যৱহাৰ কৰিব পাৰে।)<br>○ ৫ম দিনা T, U, V, W, X বৰ্ণৰ সৈতে কাম কৰিব। (U vowel ৰ বাবে পৃথক ৰং ব্যৱহাৰ কৰিব পাৰে।<br>○ শিক্ষাৰ্থীয়ে বৰ্ণ আৰু বাচনি কৰা ছবি অংকন আৰু ৰং দিব পাৰিব।<br><br>○ শিক্ষাৰ্থীয়ে পৃষ্ঠাৰ তলত পৃষ্ঠা নং উল্লেখ কৰিব।<br>*(অভিভাৱকে শিক্ষাৰ্থী সকলক শব্দ আৰু বৰ্ণ লিখিবৰ বাবে আঁচ বা ডটেড লাইনেৰে অংকন কৰি সহায় কৰিব পাৰিব যাৰ ওপৰেদি শিক্ষাৰ্থী সকলে লিখিব পাৰিব।)* |
| **১৫ মিনিট** | ▪ শিক্ষাৰ্থীয়ে শেষৰ দুটা বৰ্ণ Y আৰু Z সম্পূৰ্ণ কৰিব। |

| | |
|---|---|
| | সংখ্যাৰ প্ৰসাৰঃ সংখ্যাৰ খেলঃ<br>○ বৰ্ণৰ কাম শেষ হোৱাৰ পিছত শিক্ষাৰ্থীয়ে বিভিন্ন ৰঙৰ খাদ্যবস্তুৰ ছবিৰ এখন তালিকা প্ৰস্তুত কৰিব। প্ৰশ্ন হব এনেধৰণৰ- তোমাৰ ইংৰাজী বৰ্ণমালা কিতাপত কিমান বিধ উল্লেখ কৰা ৰঙৰ খাদ্যবস্তু আছে- হালধীয়া, সেউজীয়া, ৰঙা ইত্যাদি।<br>○ শিক্ষাৰ্থীয়ে মাটি আৰু পানীত থকা প্ৰাণী আৰু চৰাইৰ ছবিৰ এখন তালিকা প্ৰস্তুত কৰিব। প্ৰশ্ন হব এনেধৰণৰ- তোমাৰ ইংৰাজী বৰ্ণমালা কিতাপত কিমান বিধ মাটি আৰু পানীত থকা প্ৰাণী আৰু চৰাইৰ ছবি আছে।<br>○ শিক্ষাৰ্থীয়ে ফলমূল, পাচলি আৰু অনান্য খাদ্যবস্তুৰ ছবিৰ এখন তালিকা প্ৰস্তুত কৰিব। |

**আৰ্হি**

| **ৰং** | **খাদ্য বস্তু** | | | **মুঠ** |
|---|---|---|---|---|
| **সেউজীয়া** |  | | | ১ |
| **ৰঙা** |  |  |  | ৩ |
| **হালধীয়া** |  | | | ১ |
| **কমলা** |  |  | | ২ |
| **মটিয়া** |  | | | ১ |

## দিন ৩

আজি তোমালোকে ইংৰাজী বৰ্ণমালাৰ কিতাপৰ কাম সম্পূৰ্ণ কৰিবা আৰু তোমাৰ পৰিয়ালক দিব পাৰিবা।

| **প্ৰস্তাৱিত সময়** | **ক্ৰিয়া-কলাপ আৰু বিৱৰণ** |
|---|---|

| | |
|---|---|
| **১০ মিনিট** | ▪ শিক্ষাৰ্থীয়ে নিজৰ বৰ্ণমালাৰ কিতাপ খনৰ বেটুপাত ৰূপাঙ্কন (design) কৰিব।<br>○ শিক্ষাৰ্থীয়ে কিতাপখনৰ এটা নাম ভাবিব।<br>○ শিক্ষাৰ্থীয়ে ভাতৃ-ভগ্নীয়ে কিতাপখন চিনাক্ত কৰিব পৰাকৈ বেটুপাতৰ নাম আৰু ৰূপাঙ্কন কৰিব।<br>○ শিক্ষাৰ্থীয়ে কিতাপখনৰ লেখকৰ নাম লিখিব (নিজৰ নাম)।  |
| **১০ মিনিট** | শিক্ষাৰ্থীয়ে সম্পূৰ্ণ কৰা নিজৰ কিতাপখন পৰিয়াল আৰু ভাতৃ-ভগ্নীক দিব। |
| **১০ মিনিট** | শিক্ষাৰ্থীয়ে শিকা নতুন শব্দৰ ওপৰত বিবেচনা কৰিব। |

## মূল্যায়নৰ মাপকাঠী

- ৰূপাঙ্কন আৰু সৃজন।
- প্ৰত্যেক বিভাগৰে শব্দ চিন্তা কৰাৰ পদ্ধতি ।
- লিখনৰ স্পষ্টতা ।
- বানান শুদ্ধতা ।

## অতিৰিক্ত সমৃদ্ধিকৰণ ক্ৰিয়াকলাপ

- শিক্ষাৰ্থীয়ে প্ৰত্যেক বৰ্ণতে অধিক প্ৰকাৰৰ নাম আৰু বানানৰ ওপৰত মনোযোগ দিব পাৰিব।
- শিক্ষাৰ্থীয়ে ছবি উদাহৰণ আৰু শব্দ ৰং কৰাৰ পৰিৱৰ্তে ছবিৰ আঠা লগাব পাৰিব।

## সৰলীকৰণেৰে পৰিৱৰ্তন

- শিক্ষাৰ্থীয়ে প্ৰত্যেক বৰ্ণৰে একোটাকৈ শব্দ দিব পাৰিব।

------------------